# এহাত ডাবা

ৰজাৰ সমুখৰ সৈন্যটো বেণু মিশ্ৰই প্ৰথমতে দুঘৰ সমুখলৈ ঠেলি দিলে, ময়ো মোৰ ৰজাৰ সমুখৰ সৈন্যটো দুঘৰ সমুখলৈ ঠেলি দিলোঁ। এটা সুপ্ৰতিষ্ঠিত আৰম্ভণি। বেণু মিশ্ৰই ৰজাৰ ঘোঁৰাটো বগা হাতীৰ তৃতীয় ঘৰলৈ উঠাই দিলে, ময়ো মোৰ ৰজাৰ ঘোঁৰাটো তেনেকৈ উঠাই দিলোঁ। বেণু মিশ্ৰই তেওঁৰ মন্ত্ৰীৰ সৈন্যটো এঘৰ ঠেলি দিলে, ময়ো মোৰ মন্ত্ৰীৰ সৈন্যটো এঘৰ ঠেলি দিলোঁ। এইবাৰ মিশ্ৰৰ দান। মই চোফাত আঁউজি বহিলোঁ, কিয়নো এতিয়া তেওঁ দানটো দিয়াৰ আগেয়ে তিনি মিনিট মান ভাবিব। তেওঁ জেপত চিগাৰেটৰ পেকেটটো বিচাৰি খেপিয়ালে, তেওঁ ক'লে যে আজি ৰাতি তেওঁ এবাৰৰ বেছি নেখেলে, সোনকালে ঘৰলৈ যাব লাগিব, 'ৱাইফে' খং কৰিব, আৰু তেওঁ মোৰ পিনে চাই এটা আধা লজ্জিত হাঁহি মাৰি নীৰৱ হৈ গ'ল।

কথাটো মিছা বুলি মই বুজিলোঁ, হাঁহিটো মিছা বুলি মই বুজিলোঁ, কিন্তু ময়ো অনুৰূপ এটা হাঁহি হাঁহিলোঁ, যেন ময়ো অনুৰূপ সমস্যাৰে ভুক্তভোগী, ইমান আমাৰ দাম্পত্য-ৰসেৰে আপ্লুত মধুৰ জীৱন, ৰাতি ন বজাৰ ভিতৰত ঘৰ নোসোমালে আমাৰ স্ত্ৰীয়ে ঘনে-ঘনে খিৰিকিৰ কাষলৈ যায়, ঘনে-ঘনে ঘড়ী চায়! মাথোঁ, মোৰ ক্ষেত্ৰত কথাটো সঁচা, তেওঁৰ ক্ষেত্ৰত কথাটো সঁচা নহয়। অন্ততঃ, বোধকৰোঁ সঁচা নহয়, হ'লে মই আচৰিত হ'ব লাগিব বিৰাট। এই আধা লজ্জিত আধা উৎফুল্ল হাঁহিটো তেওঁ তেওঁৰ দৰ্শকৰ পিনে নিক্ষিপ্ত কৰিব লাগিছিল সেই তাহানিখন, যেতিয়া তাৰ ক্ৰিয়াশক্তি আছিল পূৰ্ণতম (হয়তো তেওঁ কৰিছিলও, মই সকলো খবৰ নাৰাখোঁ), যেতিয়া তেওঁ নগাঁৱৰ কেএ্রাপট্টিৰ মঞ্চত একাংকিকাৰ ভাৰত নামিছিল, যি সময়ত কলিকতা-আগ্ৰা-বম্বেৰ প্ৰবাসী অসমীয়া ছাত্ৰ-ছাত্ৰীৰ অভিনয়-প্ৰচেষ্টাৰ প্ৰধান প্ৰেৰণা আছিল জনপ্ৰিয় বেণু মিশ্ৰ...

কিন্তু বস্তুতঃ নগাঁৱত তেওঁ একাংকিকা কৰা নাছিল, প্ৰবাসতো তেওঁ কোনো দিনে—যিমান দূৰ জানিব পাৰিছোঁ—কোনো কথাত প্ৰধান অংশ লোৱা নাছিল। কিন্তু এইটো এটা সম্ভাবনা আছিল, তেওঁৰ জোঙা মুখৰ দ্ৰুত অভিব্যক্তিত সিদিনা এইটো এটা সতেজ সম্ভাবনা আছিল, মোৰ ধাৰণা হয় তেওঁৰ দীঘল হাতৰ দীঘল আঙুলিকেইটাত সিদিনা প্ৰেক্ষাগৃহৰ গুঞ্জন স্তব্ধ কৰি দিব পৰা ভংগীমাৰ সুন্দৰ সম্ভাবনা আছিল। সেই তাহানি।

হয়তো সন্ধিয়াৰেপৰা আজি তেওঁৰ ঘৰৰ আবহাৱা গুৰুভাৰ হৈ আহিছে, তেওঁৰ ল'ৰা-ছোৱালী দুটাৰ পঢ়া মুখস্থ কৰা কণ্ঠই তেওঁক পীড়া দিছে, আৰু তেওঁৰ ৰুগ্না স্ত্ৰীৰ একঘেঁয়ে অভিযোগ ভৰা বিৰক্তিকৰ কণ্ঠ তেওঁ শুনাই নাই, কিয়নো তেওঁৰ স্ত্ৰীৰ কণ্ঠ তেওঁ শুনিব খোজা নাই, ঘৰৰ বায়ুমণ্ডলে তেওঁৰ নিশ্বাস বন্ধ কৰি আনিছে, তেওঁৰ ভাৰসাম্য ক্ষয় কৰি আনিছে, তেওঁ চঞ্চল হৈ উঠিছে, তেওঁ ঘৰৰপৰা ওলাই আহিছে—

বেণু মিশ্ৰই তেওঁৰ বগা ঘোঁৰাটোত হাত দিলে, ময়ো এটা চিগাৰেট জ্বলাই লৈ তাৰ প্ৰতি-দানৰ বাবে সাজু হ'লোঁ। মাতিলে বাৰু তেওঁ তেওঁৰ ঘৈণীয়েকক কি বুলি মাতে? মই যেনেকৈ অমিয়াক সুৰ কৰি নাম ধৰি অমি বুলি মাতোঁ, তেওঁ নিশ্চয় (অন্ততঃ আজিকালি) তেনেকৈ নামাতে, তেওঁ নিশ্চয় 'হেৰা' বা তেনে কিবা বুলি মাতে। মাতে নে? সুধিম নেকি? নাই, আজি নোসোধোঁ, আজি তেওঁৰ মুখত ঘৰুৱা কথা পতাৰ কোনো প্ৰবৃত্তিৰ চিন নাই, ঘৰৰপৰা দুঘণ্টা দূৰত কটাবলৈকে তেওঁ আহিছে, হয়তো আঢ়ৈ ঘণ্টা, হয়তো তিনি ঘণ্টা। আচৰিত কথা, ইমান দিন ইমান ওচৰা-উচৰি ঘৰত থাকিও আজিলৈকে তেওঁৰ ঘৈণীয়েকৰ নামটো কি নাজানো, কি বুলি মাতে নাজানো। তেৰোঁ নিশ্চয় অমিৰ নামটো নাজানে—কিন্তু অৱশ্যেই, অমিয়ে জানিব (যদিও মোৰ আগত সদায় 'লুকুৰ মাক' বুলি কয়), অ, অমিক সুধিলেই হ'ব। নাই, মিশ্ৰকেই সুধিম। দুই বিবাহিত ব্যক্তিৰ অন্তৰংগ সংসাৰালাপ, কি কোৱা? বেয়া নহ'ব। অ, এই অৱস্থাত ময়ো মোৰ ক'লা ঘোঁৰাটো তোলাই ঠিক হ'ব। ঠিক আছে, ময়ো মোৰ ক'লা ঘোঁৰাটোকেই জঁপিওৱালোঁ।

ইমান অপেক্ষাকৃত দ্ৰুতভাৱে মই মোৰ ক'লা ঘোঁৰাটো জঁপিওৱালোঁ যে তেওঁ নিশ্চয় মোৰ কথা বা তেওঁৰ পৰৱৰ্তী ছালটোৰ কথা ভাবিবলৈ সময়েই নাপালে। কিন্তু যি কেইমুহূৰ্ত বিলম্ব ঘটিল, তাৰ ভিতৰতে সম্ভৱতঃ তেৰোঁ মোৰ কথা ভাবি ল'লে! ল'লে নে? আমাৰ দুয়োৰে মস্তিষ্ক-প্ৰক্ৰিয়া একেই নে? কি ভাবিলে? মই যেনেকৈ তেওঁৰ ঘৰৰ অশান্তি আৰু অসাম্যৰ কথা ভাবিলোঁ, তেৰোঁ কি তেনেদৰে মোৰ সংসাৰৰ সাবলীল ভাৰসাম্যৰ কথা, অমিৰ কথা আৰু তেওঁৰ স্ত্ৰীৰ কথা (নিশ্চয় তুলনামূলকভাৱে?) ভাবিলে? তেওঁ কি অনুভৱ কৰিলে? তেওঁৰ মনত ক্ষন্তেকৰ বাবে ঈৰ্ষাৰ এটা চোকা ৰেপ নপৰিল নে, মোৰ অমিৰ লগত তেওঁৰ ঘৈণীয়েকক তেওঁ ওচৰা-উচৰিকৈ নেদেখিলে নে? আৰু? আৰু মোৰ

লগত তেওঁৰ অৱস্থা তুলনা কৰিও তেওঁৰ মনেৰে ঈৰ্ষাৰ ঝলক্ এটা পাৰ হৈ নগ'ল নে?

বেণু মিশ্ৰই তেওঁৰ ক'লা হাতীটো উলিয়াই আনিলে। এইবাৰ সঁচাকৈয়ে ভালকৈ ভাবিবলগীয়াত পৰিল। পেডেষ্টেল ফেন্খন আৰু অলপ কাষলৈ টানি আনিবলগীয়াত পৰিল—আপোনাৰ পিনে গৈছে নে বতাহ? ঠিক আছে। ইয়াৰ পাছৰ দানত তেওঁ ক'লা ঘোঁৰাৰ সমুখৰ গুটিটো ঠেলি দিলে—এঘৰ দিব নে দুঘৰ দিব?—মস্কিলেই হ'ব। হয়তো এঘৰেই দিব, এঘৰ দিয়াই তেওঁৰ অভ্যাস। সেইটো কি বাজিছে—ইমান গণ্ডগোলীয়া বাজনা—অ', অমিয়ে ভিতৰত ৰেডিঅ'টো খুলিছে। কি অসম্ভৱ ঘেৰ্-ঘেৰ্ আৱাজ, আঃ অমিয়ে আৰু ৰেডিঅ'টো এঠাইত সুস্থিৰভাৱে লগাই থ'বলৈ নিশিকিলে, গোটেইবোৰ ষ্টেশ্যন ঘূৰাই-ঘূৰাই—নাই, ময়ো মোৰ ক'লা হাতীটো তুলিলোঁ একে ঠাইলৈ, দেখা যাওক তেওঁ কি কৰে।

তেওঁ একো নকৰিলে, তেওঁ মাথোঁ ছকখনলৈ চাই নিস্তব্ধ হৈ ভাবিব ধৰিলে। সোঁ চুকৰ গুটিটো তেওঁ এতিয়া খাব পাৰে, তাত মই কোনো জোৰ ৰখা নাই। তেওঁক খাবলৈকে দিছোঁ। কিন্তু খালে তেওঁৰ বিপৰ্যয় ঘটিব, মই মন্ত্ৰীটো তিনি ঘৰ কোণা-কুণিকৈ ঠেলি দিম। মই ভুল কৰিলোঁ বুলি ভাবি হয়তো তেওঁ সঁচাকৈয়ে গুটিটো খাব, প্ৰলোভন সামৰিব নোৱাৰিব। এনেকুৱা মানুহকে ইংৰাজীত কয় 'চাকাৰ', মিথ্যা চাটুবাক্য আৰু প্ৰলোভনত ভোল যোৱা অবোধ, গৰ্দভ। 'চাকাৰ'য়েও ঈৰ্ষা কৰিব পাৰে নে, এই গতিশীল মুখ, এই ব্যঞ্জনাময় আঙুলি? তাহানিখন হয়তো নোৱাৰিছিল, আজিকালি পাৰে। হয়তো পাৰে। সিদিনাৰ সেই গতি, সেই ব্যঞ্জনা এতিয়া ক'ত। আজিকালি সেইবোৰ বিচাৰিব লাগিব, তাৰ অপেক্ষাত ৰৈ থাকিব লাগিব, আজিকালি সেই স্বতঃস্ফূৰ্ত অভিব্যক্তি অবলুপ্ত নহ'লেও নিমজ্জিত, হঠাৎ মাথোঁ মাজে-মাজে মুহূৰ্তৰ বাবে ঝলক দি উঠি মানুহক হয়তো আচৰিত কৰি দিব, তাৰপাছত পুনৰ নিশ্চিহ্ন, মন্দগতি, নিৰ্লিপ্ত স্কুল মাষ্টৰৰ অপ্ৰসন্ন অবিষণ্ণ মুখ—বম্বে—জে.জে স্কুল অফ্ আৰ্ট—ছমাহ পাছতেই শিক্ষা অসমাপ্ত ৰাখি (কি হৈছিল বাৰু?) নানান গুজবৰ সৃষ্টি কৰি উদীয়মান শিল্পী বেণু মিশ্ৰ উভতি আহিছে (বম্বেৰ এখন প্ৰদৰ্শনীত বোলে তেওঁৰ তিনিখন ছবি দেখুওৱা হৈছিল, আৰু কলিকতাৰ মহাজাতি সদনত এবাৰ)—প্ৰথমতে এটা ফট' আৰু পৰ্ট্ৰেট্ আঁকা ষ্টুডিঅ' চলোৱাৰ নিৰুদ্যম চেষ্টা—লালবাত্তি—তাৰপাছত ইস্কুলত ড্ৰয়িঙৰ আৰু কিবাকিবিৰ মাষ্টৰ, ল'ৰাক কাপ-প্লেট, গিলাচ আৰু মমবাতি আঁকিব শিকায়—

কাপ-প্লেট—অ, খেলখনৰ জটিলতা চাহৰ প্ৰয়োজনীয়তাৰ স্তৰলৈ আহিছে, চাহ খাব লাগিল। ৰেফ্ৰিজাৰেটৰত অৱশ্যে বীয়াৰ্ এবটল আছে, কিন্তু মাথোঁ এবটলেৰে আমাৰ দুজনৰ একো নহ'ব, আৰু পিয়াহ হে লাগিব। থাকক, বীয়াৰখিনি ৰাতি মোক লাগিব, যি গৰম পৰিব ধৰিছে। ফ্ৰীজটোত বৰফো আছে নিশ্চয় যথেষ্ট, ৰাতি শুবৰ সময়ত বীয়াৰত দি— অমিয়ে মুখ ওফোন্দাব অৱশ্যে অলপ, কিন্তু তাৰ পাছৰ স্তৰত যেনেকৈ মোৰ মৰম যেন উঠলি উঠিব খুজিব, সেই কথা সুঁৱৰি নিশ্চয় অমিয়ে—

এৰা, বেণু মিশ্ৰৰ এতিয়া যি বস্তুটোৰ দৰকাৰ, সেইটো চাহ নহয়, সুৰাস্বল্প বীয়াৰো নহয়, জোৰ কেই ৰাউণ্ড মান্— আছে, কালিৰ হুইস্কীটোৰ আধা মান এতিয়াও ফ্ৰীজতে আছে, ছ'ডাও আছে, কিন্তু সেয়াও থাকক—ৰাতি মোৰ 'টেণ্ডেন্সী' হ'ব পাৰে। মিশ্ৰক এনেয়ে এবাৰ ধেমালি কৰাৰ ছলেৰে হয়তো সুধি চাব পাৰোঁ তেওঁ যাবৰ সময়ত, আৰু লগে-লগেই ক'ম, নাঃ, আজি বৰ গৰম, এতিয়া বে-টাইমো হ'ল, থাকক আজি। ছ'ডাও কম আছে, এই গৰমত 'নীট' খোৱা ঠিক নহ'ব, কি কয়? অ, থাকক দিয়ক, মিশ্ৰই ক'ব, ৱাইফে আকৌ এইবোৰ বৰ বেয়া— আৰু আকৌ তেওঁৰ 'দাম্পত্য-ৰস'ৰ হাঁহিটো হাঁহিব। আচল কথা অৱশ্যে এয়ে যে অলপ হুইস্কী পালে তেওঁ খুবেই ভাল পালেহেঁতেন, তেওঁৰ স্ত্ৰীৰ বেয়া পোৱাটো (যদি সঁচাকৈয়ে বেয়া পোৱাটোৱেই হয়) সম্পূৰ্ণ উপেক্ষাৰ কথা হৈ পৰিলহেঁতেন, তেওঁৰ অৱনত মনটো এটা উচ্চতৰ সমতললৈ উত্তেজিত কৰি নি তেওঁ তেওঁৰ গোট মৰা গৰম ঘৰৰ থমথম শীতল গোট মৰা অভ্যৰ্থনাৰ সন্মুখীন হ'বলৈ (বা তাকো সম্পূৰ্ণ উপেক্ষা কৰিবলৈ) উভতি গ'লহেঁতেন—

মোৰ দৃষ্টিভংগীৰ পিনৰপৰা অৱশ্যে আচল কথাটো এয়ে যে হুইস্কীখিনিৰে তেওঁৰ মনঃপ্ৰৱাহ দ্ৰুততৰ হৈ উঠক, তেওঁৰ মনটো ৰঞ্জিত হৈ উঠক, তেওঁৰ মনৰ পংগু ডিপ্ৰেছন্ কাটি যাওক, মোৰ কোনো আপত্তি নাই, কিন্তু বিব্ৰতকাৰী কথা হ'ব এইটোৱে যে তেওঁ অলপ-অলপকৈ মুখ খুলিব আৰম্ভ কৰিব, তেওঁৰ নিজৰ কথা ক'বলৈ আৰম্ভ কৰিব, কেতিয়াবা পাৰ্টী হ'লে তেওঁ যিটো আৰম্ভ কৰিব খোজে অকস্মাৎ—

নাই, তেওঁ গুটিটো নাখালে। তেওঁ ইটো গুটিহে সমুখলৈ দুঘৰ (দুঘৰ!) ঠেলি দিলে। অৱশ্যেই। নেশ্যাৰেলী। কৰিবই। এইটো এটা পুৰণি কৌশল, এটা সুবিদিত 'গেম্বিট্'। হ'ব পাৰে 'চাকাৰ্', কিন্তু ইমান 'চাকাৰ্' নহয় যে সৰ্বজন পৰিচিত 'গেম্বিট্'টো ইমান দিন খেলাৰ পাছত ভুল কৰি পেলাব। এতিয়া কিন্তু মোৰ হে মস্কিল হ'ল। বিপদেই হ'ল। মোৰ বগা ঘৰৰ ঘোঁৰাটো সম্ভৱতঃ হেৰুৱালোঁ। নহ'লে, নাওখন বিপন্ন। সংকট।

কিমান সময় মই এই বিপদসংকুল পৰিস্থিতিৰপৰা ওলাই অহাৰ বাট চিন্তা কৰি মগ্ন হৈ আছিলোঁ, ক'ব নোৱাৰোঁ, যেতিয়া অৱশেষত নাওখন আঁতৰাই ছকৰপৰা মূৰ তুলিলোঁ, দেখিলোঁ মিশ্ৰই তেতিয়াও তল মূৰ কৰি ছকখনৰ পিনে চাই তন্ময় হৈ ভাবিছে। ৰজাটোত হাত দিছে, হয়তো 'কেছল্' কৰিব। কৰক। যদি কৰে, ঘোঁৰাৰে ৰজা-মন্ত্ৰী দুয়োটা ধৰিব পাৰিম, অৰ্থাৎ তেওঁৰ মন্ত্ৰীটো যাব। যদি!

অ, কি হৈছিল বাৰু? মই অলসভাৱে ভাবিলোঁ, আৰু লগে-লগে কি হৈছিল হুইস্কীখিনি খৰচ কৰি তেওঁৰ মুখৰপৰা

শুনাৰ কথা কল্পনা কৰিও মই সন্ত্ৰস্ত হৈ উঠিলোঁ। এইবোৰ বাজে আন্‌প্ৰেক্টিকেল কথা শুনি থাকিবৰ মোৰ কি ধৈৰ্য থাকাৰ কথা? এইবোৰ কথাত গুৰুত্ব দি থাকিলে বেণু মিশ্ৰৰ চকুৰ সমুখতে মোৰ আচবাব-পত্ৰৰ ব্যৱসায়টো কি দিনে-দিনে এনেকৈ বাঢ়ি উঠিলহেঁতেন? (আজি চহৰৰ অধিকাংশ স্কুল-কলেজৰ, অফিচ-চাহৰ দোকানৰ ময়েই চকি-মেজৰ বন্ধা সৰবৰাহকাৰী, অধিকাংশ বিয়াৰ আচবাব ময়েই সাজি দিওঁ), মাথোঁ দুজন কাঠমিস্ত্ৰীৰপৰা আৰম্ভ কৰি আজিৰ আধা ডজন মিস্ত্ৰী খটা প্ৰকাণ্ড শ্বে'ড্‌টো কি মই গঢ়ি তুলিব পাৰিলোঁহেঁতেন—আৰু বেণু মিশ্ৰই বছৰৰ পাছত বছৰ সেই একেধৰণে মমবাতি আঁকিছে (হয়তো তাৰ শিখাডাল ইপিনে-সিপিনে অলপ বেঁকা কৰি দিছে মাত্ৰ), তেওঁৰ আয় প্ৰায় একে ঠাইতেই আছে মাটিত বৈ, জীৱন ধাৰণৰ খৰচ কিন্তু ৰকেটৰদৰে আকাশলৈ উৰি গৈছে। অমিক মই লগ পাইছোঁ, অমিক মোৰ ভাল লাগিছে, অমিৰ মোক ভাল লাগিছে, অমিক মই বিয়া কৰিছোঁ, ভাৱপ্ৰৱণতা কৰি মই বৈ থকা নাই। আচল কামটো নকৰি ভাৱপ্ৰৱণতা কৰি থাকিলে ছোৱালী মানুহে ভাল নাপায়, এই কথাটো বোধহয় বেণু মিশ্ৰইঁতে কোনো দিনে নুবুজিলে, কোনো দিনে নুবুজিব। মই ক'ব পাৰোঁ ইচ্ছা কৰিলে (বন্ধু এজনে পৰামৰ্শ দিছিল), "অমিয়া, তুমি মোৰ জীৱনৰ অমিয়া", কিন্তু মই কোনো দিনে তেনেকুৱা কথা কোৱা নাই, মই ঘৰ কৰিছোঁ (ৰঙা আৰু বগা, বেলকনী, এল্ টাইপ), গাড়ী কৰিছোঁ (ভেন্‌গাৰ্ড), আৰু অমিক লৈ সংসাৰ কৰিছোঁ। এনেকুৱা কথা হয়তো ক'লেহেঁতেন বেণু মিশ্ৰই, ক'বলৈ ভাল পালেহেঁতেন, কিন্তু তেওঁৰ বোধহয় তেনেকুৱা কথা কোৱাৰ সুযোগ নাহিল (বা আহিছিল যদিও, সেই সুযোগ তেওঁ ধৰি ৰাখিব নোৱাৰিলে)। ধৰি লোৱা যাওক তেওঁৰ ঘৈণীয়েকৰ নাম মাধুৰী (মাধুৰী? অসম্ভৱ! নাই, আজি ৰাতি অমিক নামটো সুধিবই লাগিব), তেওঁ কেতিয়াও ক'ব নোৱাৰিব, "মাধুৰী, তুমিয়েই মোৰ জীৱনৰ মাধুৰী"। কিন্তু কিয় নোৱাৰিব? মই তেওঁলোকৰ বিষয়ে কি জানো? একো নাজানো, ক'বলৈ গ'লে তেওঁলোকৰ অন্তৰংগ কথা একোৰেই নাজানো, হয়তো অমিয়েও নাজানে, কিন্তু বুজিব পাৰি, বুজিব পাৰি (পাৰি নে?)। খেলাৰ শেষত তেওঁ ঘৰলৈ যাব, ল'ৰা-ছোৱালী দুটা শুইছে, তেওঁৰ ঘৈণীয়েকো শুইছে। দুৱাৰত ধাক্কাধাক্কি কৰি তেওঁ ঘৈণীয়েকক উঠাব, চকু মোহাৰি-মোহাৰি লেমটো লৈ থূপ খোৱা কপাল আৰু চেপা ওঁঠেৰে অসন্তুষ্ট মুখখন লৈ ঘৈণীয়েক দুৱাৰলৈ আহিব। দুয়ো দুয়োকে হয়তো মুখেৰেই নামাতিব, হয়তো পৰস্পৰে পৰস্পৰক অন্তৰত শেল দি যোৱাকৈ দুষাৰ বা তিনিষাৰ কথা ক'ব, লেমৰ পোহৰত কাঁহীৰ ওপৰত উবুৰি খাই পৰি তেওঁ কৰ্কৰা ভাত কেইগৰাহ খাব (বা খোৱাৰ নাম কৰিব), হয়তো আকৌ দুই-চাৰিষাৰ শেল বৰষা কথা (ভাতকেইটাও নো অলপ গৰম কৰি থ'ব নোৱাৰানে?—অ, মই এই বেমাৰী দেহাটোৰে ৰাতি দুপৰলৈ কেঁচা খৰি কেইডালকে ফুঁৱাই থাকোঁ আৰু, ৰাতিৰ ৰাতিটো পাশা মাৰি আহি গৰগৰাব, ঘৰৰ মানুহজনী মৰিলেই নে আছেই তাৰ ভু আছেনে কিবা—এনেকুৱা?), সঁচাকৈয়ে ৰুগ্ন ঘৈণীয়েকৰ লেমৰ পোহৰ পৰা গাল দুখনৰ ঘোলা পৰি যাব ধৰা ৰংখিনিলৈ তেওঁ এবাৰো মুখ তুলি নাচাব, কলৰ তলত কাঁহী-বাতিৰ দ'ম—দুয়ো দুপিনে মুখ কৰি হয়তো শুই পৰিব।

তেনেহ'লে কিয় বাৰু তেওঁ এইখন বিয়া কৰাবলৈ গ'ল, তেওঁৰ অন্তৰত যদি আৰু কোনো মৰম নাই, কিয় তেওঁ এনেদৰে আৰু এটি প্ৰাণীক—আঃ তেওঁ কথাটো ধৰিলেগৈ, তেওঁ 'কেছল্' নকৰিলে, মন্ত্ৰীৰে সমুখৰ গুটিটো হে খাই দিলে। তেওঁক ডবল্ কিস্তি দিয়াৰ কল্পনা তেনেহ'লে চুৰমাৰ। এতিয়া কি? মোৰ মন্ত্ৰীটোহে ধৰা পৰিল? ঠিক আছে, মন্ত্ৰীটো পাছুৱাই নিলোঁ, হাতীৰ জোৰত থাকক—তেওঁৰ ইটো ঘোঁৰা বচাওক এতিয়া।

কি অদৃশ্য হাতৰ অনিবাৰ্য ছালে তেওঁক এই কাম কৰিবলৈ বাধ্য কৰালে? কেনেকুৱা অলংঘনীয় পৰিস্থিতিৰ (মানসিক, নিতান্তই মানসিক পৰিস্থিতি?) ফলত এই চৰম পৰিণতিৰ মাজলৈ তেওঁ সোমাই গ'ল? কি পাকচক্ৰত পৰি তেওঁ তেওঁৰ সিদ্ধান্তৰ ঐতিহাসিক মুহূৰ্তটো পাৰ হৈ যাব দিলে? কি হৈছিল বাৰু, কি হৈছিল?—কিন্তু মই কিয় সুধিছোঁ? কেইবা দিনো তো তেওঁ কেইটা মান জিন্ খোৱাৰ পাছত নিজেই ক'ব আৰম্ভ কৰিছে, সদায় তো মই অন্য কথা উলিয়াইছোঁ, লৰালৰিকৈ এইবোৰ কথাৰপৰা তেওঁক ফালৰি কটাই নিছোঁ, মোৰ হাঁমি উঠিছে, মই ভাবিছোঁ এইবোৰ ঘটনা শুনিলে মই তেওঁক কি ক'ম, কেনেকুৱা অস্বস্তিকৰ হ'ব পৰিস্থিতিটো, মই আৰু কি ক'ম, কেনেকুৱা বিব্ৰত হ'ব লাগিব হয়তো ময়েই, কেনেকুৱা এ'ম্‌বেৰাচিং। হয়তো তেওঁৰ লগত মোৰ সম্বন্ধই বদলি যাব, হয়তো আমাৰ এই খেলাবোৰো আৰু নজমিব, তেতিয়া হ'লে সুদীৰ্ঘ আজৰি সন্ধিয়াবোৰ মই কি কৰিম? আৰু তদুপৰি, মোৰ কাণ দুখন আৱৰ্জনা পেলোৱা ঢামা নহয়, মই যাৱতীয় ব্যৰ্থতাৰ কাহিনীৰ ডাষ্টবিন্ নহওঁ। তেওঁ মোৰপৰা কি আশা কৰে? সহানুভূতি? সান্ত্বনা? সমবেদনা? এজন সংবেদী সুহৃদ? নহ'ব, নহ'ব। তেওঁক মই সহায় কৰিবলৈ ৰাজী আছোঁ (প্ৰায় প্ৰতি মাহে তেওঁ মোৰপৰা টকা ধাৰলৈ নিছে, কোনো দিনে মই নিজৰপৰা শোধ বিচৰা নাই), কিন্তু ব্যৰ্থ ভাৱপ্ৰৱণ কাহিনী সমবেদনাৰে মোক ধৈৰ্য ধৰি শুনিব নক'বা, মোৰ কান্ধত মূৰ থৈ তেওঁক কান্দিব দিবলৈ নক'বা। যাৰ যেনেকুৱা প্ৰকৃতি।

ঘোঁৰা দুটা তেওঁ বদলিয়েই কৰি পেলালে। যাঃ সমস্ত ষ্ট্ৰেটেজীটোৱেই নষ্ট হৈ গ'ল। এতিয়ানো কি কৰিব খুজিছে?

অমিয়ে কয়, কি ক'ব খুজিছিল নুশুনিলেনো কেলেই, কিনো ক্ষতিটো হ'লহেঁতেন? অমিয়ে বোধহয় জানে, কি কৈছিল—কেনেকৈ যে অমিহঁতে ৰাজ্যৰ মানুহৰ ভিতৰুৱা খবৰ, আওপুৰণি কাহিনী খুঁচৰি-খুঁচৰি উলিয়ায় তেওঁলোকেহে জানে! কোন এজনী স্থানীয় বঙালী ছোৱালীৰ কথা মাজে-মাজে কাণলৈ আহিব খোজে—কাহিনীটো শেষলৈ শুনিবলৈ মোৰ আজিলৈকে ধৈৰ্য নহ'ল—মাজতে কিবা লৈ মনোমালিন্য ঘটিছিল (হয়তো অন্য কোনো ছোৱালীঘটিত

ব্যাপাৰ), বম্বেত থকাৰ সময়ত বহু দিন হেনো চিঠি-পত্ৰও বন্ধ আছিল, এনেকুৱা চব কাৰবাৰ। বঙালী ছোৱালীজনী সেই সময়ত বহু দিন কিবা এটা হৈ হাস্পতালত পৰি থাকিবলগীয়া হৈছিল—ঠিক ধৰিছিলোঁ, আকৌ হাতীটো এঘৰ পিছুৱাই দিব। উপায় নাই, ময়ো আকৌ বগা হাতীটো আগুৱাই দিব লাগিব, বৰ বেয়াকৈ চেপি আনিব ধৰিছে—

আৰু তেওঁৰ বন্ধু এজনকে হাস্পতাললৈ গৈ খবৰ ল'বলৈ লিখিছিল। বন্ধুজন গৈছিলো, কিন্তু কি যে হ'ল, তেওঁ ছোৱালীজনীৰ আগত মিশ্ৰৰ নামেই নুলিয়ালে, কথাটো এনেকুৱা যেন দেখা গ'ল যে তেওঁ নিজৰপৰাহে তাইক বিচাৰি আহিছে (এইটোও অৱশ্যে এটা পুৰণি গেম্বিট!)—এই যিখন কঠিন গম্ভীৰ মুখ এতিয়া ছকখনৰ ওপৰত উবুৰি খাই নির্নিমেষে হাতী-ঘোঁৰাৰ পথবোৰ হিচাপ কৰিছে, সেইখন মুখ এসময়ত নিশ্চয় আশ্চর্য কোমল, আশ্চর্য বিশ্বাসপূর্ণ আছিল, দেখিলেই বুজিব পৰা গৈছিল এই এজন 'চাকাৰ', আৰু আশ্চর্য কি যে বন্ধুজনে তেওঁৰ লগত এনেকুৱা আচৰণ কৰি পেলালে। বন্ধুজনৰ মনস্তত্ত্ব মই বুজিব পাৰোঁ, ময়ো ঠিক তেনেকুৱাই কৰিলোঁহেঁতেন খুব সম্ভৱতঃ, কিয়নো 'চাকাৰ' দেখিলেই মানুহৰ ঠগি দিবৰ মন যায়, কিবা এটা অন্যায় কৰি দিবৰ বাসনা জন্মে, কিছুমান গোঁফ দেখিলেই যেনেকৈ টানি দিবৰ মন যায়, তাৰ বাবে কোনো প্ৰৰোচনা নালাগে, তাৰপৰা আমাৰ কোনো লাভো হ'ব নালাগে (বন্ধুজনে বঙালী ছোৱালীজনীক তাৰ এমাহ পাছতেই পাহৰি গ'ল), মাথোঁ যাৰ যিটো প্ৰাপ্য সেইটো তেওঁক দি দিয়াৰ সহজাত উল্লাস। 'চাকাৰ্' দেখিলে মানুহে কিবা এটা কৰিবই।

বেণু মিশ্ৰই দানটো দিবলৈ এইবাৰ বহু সময় লৈছে। ছাইদানীটো ভৰ্তি হৈ উঠিছে, তেওঁৰ আধা খোৱা চাহকাপৰ ওপৰত এটা পাতল চামনি পৰিব আৰম্ভ কৰিছে। কোঠাটোৰ আন্ধাৰ চুকত মহৰ গুঞ্জন বেছি হৈ উঠিছে, ভাগ্যে ঘূর্ণ্যমান ফেনখনৰ ওচৰলৈ আহিব পৰা নাই। এৰা, এই দানটো তেওঁ বেছ কিছু ভাবিব লাগিব। বাওঁহাতৰ গুটিটো পকাবলৈ চেষ্টা কৰি এটা দান তেওঁ নষ্ট কৰিলে, ফলত ঘোঁৰাটো বদলি কৰিবলগীয়া হ'ল—গুটিটো বোধহয় আৰু ঠেলিবৰ চেষ্টা নকৰিব। কিন্তু নাওখন মোৰ মন্ত্ৰীৰ সমুখলৈ টানি আনিলে ময়ো আৰু সেই ফান্দৰপৰা ওলোৱা কঠিনেই হ'ব, বৰ কঠিন হ'ব। তেওঁৰ মূৰত কি সেই বুদ্ধিটো খেলাব?

অমিয়ে কয়, নাপায় মানুহক তেনেকুৱা কৰিব, মনৰ কথা কিবা এটা আপোনাক ক'ব খুজিলে তেনেকুৱা কৰিব নাপায়, মনত আঘাত লাগে, মানুহৰ অন্যায় কৰা হয়। কিন্তু অনিচ্ছাকৃত সহানুভূতিৰ ভণ্ডামিৰেই কি মানুহৰ ভাল কৰা হয়? মোৰ ভিতৰৰপৰা কোনো অনুনাদ নুশুনিলে মই কি কৰিম? সেইটো কি মোৰ দোষ? ৰঘু ঠিকাদাৰৰ ঘটনাটো মোৰ মনত পৰে, তেওঁ মোক শালগছৰ ঘন ফুটৰ ভুল হিচাপ দিছিল, তেওঁ মোক ঠগাব খুজিছিল। মোৰ মেজাজ চড়ি গৈছিল, প্ৰথমে কৈফিয়ৎ তলব, তাৰপাছত গালাগালি, তাৰপাছত সমুখৰ ক'লা, গোল ৰুল্‌ডাল তুলি লৈ এবাৰ বিনা দ্বিধাই তেওঁৰ মূৰটো ফটাই দিছিলোঁ—সেইটো তেওঁৰ প্ৰাপ্য আছিল (তাৰপাছত অৱশ্যে এছ-আইক ভেটি দিব লগা হৈছিল কিছু—আৰু ডাক্তৰৰ খৰচ মোৰ স্বইচ্ছাই), কিন্তু সেইটো মই অন্যায় কৰা নাই। বেণু মিশ্ৰৰ মই কোনো অপকাৰ কৰা নাই, অথচ অমিয়ে ক'ব খোজে যে মই তেওঁক আঘাত দিওঁ, তেওঁৰ অন্যায় কৰোঁ। মই মোৰ সততাৰ মানদণ্ডেৰে চলিম, সেইটো এটা অন্যায়? তেওঁৰ নাওখন কিবাকৈ তাৰপৰা আঁতৰাব পাৰিলে কিস্তিমাৎ— নির্ঘাত। কিন্তু নাওখন কি তেওঁ আঁতৰাব? নিশ্চয় বিপদটো দেখিছে। নিশ্চয় নাতৰায়। কিন্তু মোৰ ইটো হাতী খোৱাৰ প্ৰলোভন দিলে হয়তো আঁতৰাবও পাৰে ('চাকাৰ'!)। নাওখন কিবাকৈ আঁতৰাবই লাগিব। জিকিবই লাগিব। তেৰোঁ নিশ্চয় এটা প্ৰাণপণ চেষ্টা দিছে, জিকিবই লাগিব। অ জিকিব পাৰিলে তেওঁৰ মনৰ অৱস্থা বহুখিনি ভাল হৈ যাব, মেঘ বহুখিনি আঁতৰি যাব (বা, লুকাই যাব), বহুখিনি ভাল মনেৰে তেওঁ ঘৰলৈ উভতিব পাৰিব। কিস্তিমাৎ, কিস্তিমাৎ—ডুবন্ত মানুহে খেৰকুটা এডালতে যেনেকৈ খামুচি ধৰে, বহু দিন ধৰি পুঞ্জীভূত হোৱা আজিৰ এই পৰিস্থিতিত আজিৰ এই মানুহজনে হয়তো তেনেকৈ সাধাৰণ খেল এখনত খামুচি ধৰিছে, ছলে-বলে-কৌশলে যেনেকৈ হওক কিস্তিমাৎ কৰিব লাগিব। তেনেকৈ ধৰিছে নে? কি যুক্তিত মই তেনেকৈ ভাবিছোঁ? মই অতিৰঞ্জন কৰা নাই নে? খুব সম্ভৱ কৰিছোঁ, কিন্তু সকলো কথা তো মই এনেদৰে অতিৰঞ্জিত কৰি নাভাবোঁ, এই কথাটো কিয় ভাবিছোঁ?

সময় কটাবলৈ অমিক মই ছালবোৰ শিকাইছিলোঁ, কেতিয়াবা মাজে-মাজে মই অমিৰ লগত ইচ্ছা কৰি হাৰি যাওঁ (নহ'লে মোৰ লগত নেখেলাই হ'ব)। তেনেকৈ বেণু বিশ্ৰকো মই আজি জিকি যাব দিবা পাৰোঁ, আজি তেওঁৰ এই খেলখন জিকাৰ জৰুৰী প্ৰয়োজন, মোৰ আজি তেনে কোনো প্ৰয়োজন নাই—কিন্তু এইটো কি হ'ল? এইটো কি হ'ল? ঘোঁৰাটো ক'ৰপৰা জঁপিয়াই আহিল? মাই গুড্‌নে'ছ্, মোৰ নাওখনহে যায় নেকি এতিয়া? কি সাংঘাতিক, কি সাংঘাতিক—

ছকখনৰ দুয়ো পিনে বগা-ক'লা সৈন্য-সামন্ত জমি উঠিল, কিমান সময় নিঃশব্দে পাৰ হৈ গ'ল ক'ব নোৱাৰিলোঁ—ঘড়ীটোৰ পিনে চাই আচৰিত হৈ গ'লোঁ, প্ৰায় দহ বাজিবৰ হ'ল। জটিল সংকটবোৰ পাৰ হৈ গৈছে, খেলা আৰু কেইদানমানৰ ভিতৰতে শেষ হ'ব সম্ভৱতঃ। জোৰ এতিয়ালৈকে সমানে আছে (অৱশ্যে দুয়োৰে মন্ত্ৰী দুটা গৈছে), কিন্তু মোৰ অৱস্থা সামান্য অধিক সুবিধাজনক। ওখ পেডেষ্টেল লাইটটোৰ পোহৰ বেণু মিশ্ৰৰ কপালৰ ঘামবোৰত পৰি বিন্দু-বিন্দু উজ্জ্বলতাৰে জিলিকিছে। মাজতে অমি এবাৰ খবৰ কৰিবলৈ আহিছিল, মিশ্ৰ বিব্ৰত হৈ উঠিছিল, যেন মোক অমিৰপৰা ইমান ৰাতিলৈ আঁতৰাই ৰখাৰ বাবে তেওঁ কুণ্ঠিত, যেন তেওঁক হে কোনোবাই দোষাৰোপ কৰিছে। ৰেডিঅ'টো কেতিয়া বন্ধ হৈছে, এতিয়াহে লক্ষ্য কৰিবলৈ সময় পালোঁ। দূৰত ক'ৰবাত

নাম ধৰিছে, খিৰিকিৰে ৰৈ-ৰৈ খোলৰ শব্দ আহিছে। ইমান সময়ে কোনো শব্দ শুনা নাছিলোঁ, এতিয়াহে বুজিব পাৰিলোঁ মহৰ গুঞ্জন তুমুলভাৱে বাঢ়ি গৈছে, খিৰিকিৰ পৰ্দাকেইখন ফট্‌ফট্‌কৈ কঁপিছে, বতাহ মাৰিব আৰম্ভ কৰিছে, হয়তো ৰাতি বৰষুণ আহিব। বৰষুণ এজাক লগা হৈছে, আহিলে বৰ ভাল হ'ব। বৰফ দিয়া হুইস্কীখিনিৰ আমেজ অনুভৱ কৰি কৰি বৰষুণৰ ৰিম্‌ঝিম্ শব্দৰ মাজত অমিক বুকুত লৈ লাহে-লাহে টোপনি যাবলৈ খুব—

ফেন সত্ত্বেও বেণু মিশ্ৰৰ মুখখন বাৰে-বাৰে ঘামি উঠিছে, ঘামত তেওঁৰ দুদিনৰ (তিনি দিনৰ?) ডাঢ়িবোৰ সিক্ত হৈ উঠিছে (ব্লেডৰ অভাৱ? অভাৱ? এলাহ? অনিচ্ছা?), লাইটৰ উজ্জ্বল পোহৰত প্ৰকট হৈ উঠা তেওঁৰ থুঁতৰিৰ ক'লা দাগটোৱে আৰু ভগা খহটা গাল দুখনে তেওঁৰ একদা কোমল মুখখনত, তেওঁৰ কপালৰ ৰেখাবোৰত এক দাগী অপৰাধীৰ অৱয়ব আনি দিছে, তেওঁ বিব্ৰত হৈ উঠিছে, তেওঁ জিকাৰ আৰু কোনো আশা নাই। মোতকৈ তেওঁ দুবছৰৰ সৰু বুলি জানো, কিন্তু তেওঁৰ মুখখনৰপৰা তেওঁক এতিয়া মোতকৈ পাঁচ বছৰৰ ডাঙৰ যেন দেখা গৈছে, কোনো অদৃশ্য, সৰ্বশক্তিমান, ক্ৰুৰ হাতৰ অলংঘনীয় ছাল নহয়, তেওঁ নিজেই এই ছালবোৰ—যদি ছালেই হয়—দিয়াত সহায় কৰিছে, বা কোনো বাধা দিয়া নাই, ঐতিহাসিক মুহূৰ্তবোৰ তেওঁ হাত বঢ়াই ধৰি ৰাখিবৰ প্ৰয়াস কৰা নাই, তেওঁৰ এফলীয়াকৈ পাৰ হৈ যাব দিছে। তেওঁৰ হাতৰ আঙুলিকেইটাও ঘামিছে, মোতকৈ বহুত বেছি ঘামিছে, অথচ মোতকৈ তেওঁ কিমান ক্ষীণ! কিন্তু এইকেইটা আঙুলি—বিকৃত আনন্দত মোৰ মনেৰে খেলাই গ'ল—অদৃশ্যও নহয়, সুদৃশ্যও নহয়, যিকেইটা সুগঠিত, নিটোল, দীঘল, সংবেদী আঙুলি হয়তো মানুহে কল্পনা কৰিছিল (হয়তো তেৰোঁ কল্পনা কৰিছিল) ইজেলৰ কেনভাছত তুলিৰ টান দিছে, পিয়ান'ৰ কী-ব'ৰ্ডৰ ওপৰত উঠিছে-নামিছে, ভায়লিনৰ তাঁৰ টিপিছে-এৰিছে, একোটা সূক্ষ্মতম মুদ্ৰাই প্ৰেক্ষাগৃহত শিহৰণ বোৱাই ভংগীমাটোৰ তাৎপৰ্য বহন কৰি নিছে—সেইকেইটা আঙুলি (ক'ৰবাত পঢ়া বৰ্ণনা এটাৰদৰে) এতিয়া তেওঁৰ পাঞ্জাবিৰ দীঘল হাত দুখনৰ ভিতৰৰপৰা যান্ত্ৰিকভাৱে ওলাইছে-সোমাইছে, তাৰ হাড় আৰু শিৰাবোৰ এখন ডাক্তৰী কিতাপৰ ছবিৰদৰে স্পষ্ট হৈ উঠিছে, চিগাৰেটডাল ছাইদানীত নমাইছে, চাহৰ কাপটো তুলিছে, ঘোঁৰাটো জঁপিওৱাইছে।

টিপয়খনৰ ওপৰত অমিৰ 'ফে'মিনা' এখনৰ পাতবোৰ ফেনৰ বতাহে মাজে-মাজে লুটিয়াই দিছে, বিভিন্ন পোছাকেৰে বিভিন্ন ভংগীমাত কিছুমান ছোৱালীৰ ছবি, মিশ্ৰৰ দৃষ্টি একো-একোবাৰ সেইপিনে গৈ আকৌ উভতি আহিছে, তেওঁক ক্লিষ্ট দেখা গৈছে। কোনো অস্পষ্ট সাদৃশ্য? কোনো অনুৰূপ ভ্ৰূভংগী, কোনো পুৰণি প্ৰফাইল? নাওখন তেওঁ অৱশেষত আঁতৰাই নিব বাধ্য হৈছে, মোৰ হাতীটো এফলীয়া কৰি এইবাৰ কিস্তি দিব পাৰিলেই তেওঁ মাৎ হৈ যাব—যদি তেনেকৈ দিব দিয়ে। ৰাতি খিৰিকিৰ পৰ্দাবোৰ কঁপিব, দূৰৰপৰা খোলৰ অস্পষ্ট ছেও ৰৈ-ৰৈ মোৰ আৰু অমিৰ আধা টোপনিলৈ ভাহি আহিব। বেণু মিশ্ৰই (আৰু তেওঁৰ স্ত্ৰীয়েও) সেই শব্দ শুনিব, তেওঁলোকৰ কিন্তু টোপনি নাহিব, এজনে ঘনে-ঘনে বাগৰ সলাব, আনজনৰ চেতনাত বহু দিন আগৰ শব্দবোৰ হয়তো ক্ষীণভাৱে ধ্বনিত হ'ব—

যাক আমি আঘাত দিওঁ, যাৰ আমি অন্যায় কৰোঁ, সেই মানুহক বোলে আমি কেতিয়াও ক্ষমা কৰিব নোৱাৰোঁ। কোনে যে ভাবি-ভাবি এই কথাবোৰ বাহিৰ কৰে! হয়তো তাৰ কাৰণটো এয়ে যে আমাৰ সেই কাৰ্যই আমাৰ নিজৰ দৈন্য প্ৰকট কৰি দিয়ে, আমাৰ আত্মসন্তুষ্টিৰ ভাৰসাম্য নষ্ট কৰি দিয়ে। হ'ব পাৰে—নহ'বও পাৰে—কিন্তু বেণু মিশ্ৰক হুইস্কী খুৱাই তেওঁৰ মনটো ৰঞ্জিত কৰি দি মই এতিয়া ঘৰলৈ নপঠাওঁ, আৰু বেণু মিশ্ৰ মোৰ অমি নহয়, তেওঁক মই জিকিব দিয়াৰো কোনো প্ৰয়োজন মোৰ আহা নাই, তেওঁৰ প্ৰাপ্য তেওঁ পাব, মোৰ হাতীটো তেনেহ'লে এফলীয়া কৰি নিলোঁ—কিস্তি! মাৎ।